# দুধনৈ মহাবিদ্যালয়

# আলোচনী

বার্ষিক প্রকাশ

**৪৫সংখ্যক বর্ষ ঃ ত্রিংশতিতম সংখ্যা**

২০১৬-১৭ বর্ষ

তত্ত্বাৱধায়ক ঃ **বন্দিতা বৰবৰা**

সম্পাদক ঃ **সূদৰ্শন ৰায়**

# দুধনৈ মহাবিদ্যালয় আলোচনী

৩০ সংখ্যক বাৰ্ষিক প্ৰকাশ।। ২০১৬-১৭ বৰ্ষ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | ড° গোপাল ফুকন |
| উপদেষ্টা | ঃ | ৰাহিদা বেগম<br>ড° ৰজত চন্দ্ৰ ৰাভা |
| তত্বাৱধায়ক | ঃ | বন্দিতা বৰবৰা |
| সম্পাদক | ঃ | সূদৰ্শন ৰায় |
| শিক্ষক সদস্য | ঃ | ড° কল্যাণী দেৱী<br>দিলীপ হাজৰিকা<br>ৰাজশ্ৰী বৰকাকতি<br>মৃদুল দত্ত<br>সন্দীপন পাঠক<br>ড° ভাৰত বৰা<br>বুদ্ধিৰাজ বড়ো<br>সমৰ মেধি |
| ছাত্ৰ সদস্য | ঃ | দীপাংকৰ ৰাভা<br>ৰাজেশ উপাধ্যায়<br>মেঘনাথ ৰাভা |
| প্ৰচ্ছদ পেইন্টিং | ঃ | ধ্ৰীৰাজ ৰাভা |
| প্ৰচ্ছদ/লেআউট | ঃ | পংকজ পৰাণ |
| প্ৰকাশক | ঃ | দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৬-১৭ বৰ্ষ |
| কৃতজ্ঞতা | ঃ | বশিষ্ঠ দেৱ ফুকন, নেচিম আলী, গৌতম ডেকা |
| মুদ্ৰণ | ঃ | জেনেচিছ প্ৰিন্টাৰ্ছ, বৰবাৰী, গুৱাহাটী- ৩৬ |

# উচৰ্গা

যিসকল মহান মণিষীৰ নিৰন্তৰ প্ৰচেষ্টা আৰু অশেষ কষ্টৰ ফলত দুধনৈ মহাবিদ্যালয়খনে জন্ম লাভ কৰিলে, সেইসকল প্ৰয়াত আৰু জীৱিত মহান ব্যক্তিৰ চৰণ কমলত...

# সূচীপত্ৰ


স ম্পা দ কী য়/৭

## অসমীয়া বিভাগ

### প্ৰ ব ন্ধ

বিশ্বায়ন আৰু ভাৰতবৰ্ষ ঃ **আজিদা বেগম/১১**
দুধনৈ অঞ্চলৰ ফুল ঝাড়ু উদ্যোগ
আৰু ইয়াৰ অৰ্থনৈতিক গুৰুত্ব ঃ **জোনমণি শৰ্মা/১৪**
শিক্ষানুষ্ঠানৰ সফলতা আৰু পাৰস্পৰিক আন্তঃক্ৰিয়া ঃ **ড° পাৰুল নাথ/১৬**
অসমীয়া আধুনিক গীতৰ জন্মকথা ঃ **এটি আলোচনা ঃ হৰগোবিন্দ ডেকা/১৮**
পৰ্যটকৰ আকৰ্ষণস্থলী শ্ৰীশ্ৰী সূৰ্য পাহাৰ ঃ **মুনমী ৰাভা/২২**
সংস্কৃত সুভাষিতৰ মৌৰস ঃ **তপন ৰাজবংশী/২৫**
কৃষ্টি-সংস্কৃতিৰ সমন্বয় সেঁতু দুধনৈ ঃ **অৰুনীতা সাউদ/২৭**
গছ-বিৰিখ ঃ **গীতিমা শৰ্মা/২৯**
বিজ্ঞান, অন্ধবিশ্বাস আৰু বৰ্তমানৰ সমাজ ব্যৱস্থা ঃ **নিবেদিতা ৰয়/৩০**
ভাল দিনৰ আশাৰে ঃ **ৰমাকান্ত ৰাভা/৩২**
কবিগুৰু **ৰবীন্দ্ৰনাথ ঠাকুৰ ঃ পিংকী সাহা/৩৩**
মোৰ অনুভৱত দুধনৈ মহাবিদ্যালয় ঃ **সমলেন্দ্ৰ ৰাভা/৩৪**

### ভ্ৰ ম ণ কা হি নী

কোচবিহাৰত এটা দিন ঃ **হিৰন্ময়ী নাথ/৩৫**
বিধানসভা অধিৱেশনৰ কিছু অভিজ্ঞতা ঃ **অঞ্জলি সাহা/৩৭**
ছিকিম চাই আহিলোঁ ঃ **গিৰীজা ৰাভা/৩৯**

### অ তি থি শি তা ন


মহাত্মা গান্ধীৰ দৃষ্টিত হিটলাৰ ঃ **ময়ুৰ বৰা/৪০**
স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ ৰাভা জনগোষ্ঠী ঃ **তৰুণ হাটো/৪৪**
বড়ো সংস্কৃতিৰ প্ৰসাৰ আৰু দুধনৈ অঞ্চলৰ ভূমিকা ঃ **দেৱেন কছাৰী/৪৭**
এজনী কণমানি ছোৱালীৰ প্ৰাৰ্থনা ঃ **প্ৰণৱ কুমাৰ বৰ্মন/৫২**

### ৰ স ৰ চ না

উল্টা পুৰাণৰ কথা ঃ **ড° ৰজত চন্দ্ৰ ৰাভা/৫৩**

### প্ৰা ক্ত ন ৰ ক ল ম

সাম্প্ৰতিক শিক্ষা আৰু
যুগোপযোগী পদক্ষেপ ঃ **দীপাংক কুমাৰ নাথ/৬১**
নামৰ সুৰত তিতি ঃ ড° **ফণীভূষণ দাস/৬৩**
শূন্যৰ পদ্য ঃ **অৰূপ কুমাৰ দাস/৬৩**
ধপতুৰা আখ্যান ঃ **কল্যাণ বৰপূজাৰী/৬৪**
গণমাধ্যম হিচাপে **ফেচবুক ঃ পদুম কলিতা/৬৫**





### সা ক্ষা ৎ কা ৰ

হোমেন বৰগোহাঞিৰ
সৈতে কথোপকথন/**৬৭**

### ক বি তা/৫৫-৫৮

সপোনৰ অগ্নিগড় ঃ **ড° নিৰূপা ৰয় বৰুৱা**
আকৌ সৰু হৈ যাব পৰা হ'লে... ঃ **কল্পজ্যোতি নাথ**
কাংক্ষিত বৰষুণজাক ঃ **বিকশিতা কলিতা**
স্মৃতিৰ পাতত মোৰ মা ঃ **সিদ্ধাৰ্থ ৰাভা**
নাৰী ঃ **জিতুমণি কলিতা**
সৃষ্টিৰ প্ৰেৰণা হে আহিবা নৱবৰ্ষ ঃ **উদিত ৰয়**
ব'হাগ বিহুৰ আদৰণি ঃ **হিৰামণি ৰাভা**
আই অসমী ঃ **ৰত্না নাথ**
আশা ঃ **চয়নিকা শীল**
নিদ্ৰামগ্ন মাছবোৰ ঃ **নিকিতা সৰকাৰ**
দুধনৈ মহাবিদ্যালয় ঃ **মিঠুমণি ৰায়**
শেৱালিৰ সুবাস ঃ **মানসজ্যোতি নাথ**
স্মৃতি ঃ **ৰেখা বৰ্মন**
মৰম এজাক ধুমুহা ঃ **বন্দিতা ৰায়**
মা-দেউতা ঃ **বিনোদ শৰ্মা**
ডায়েৰী ঃ **মৰমী বসুমতাৰী**

### বি জ্ঞা ন

বিজ্ঞান বিস্ময় ঃ **কীৰ্তি কমল ৰাভা/৫৯**

### বি শে ষ

মেজৰ লিটুল গগৈৰ ভাষাৰে **'মানৰ ঢাল'ৰ সবিশেষ ঃ প্ৰবীণ সৰকাৰ/৯৫**

### অ নু ভ ৱ/৮৬-৯৪

### সা ন মি হ লি/৯৭-৯৮

## চু টি গ ল্প

মদিৰা ঃ ড° আবুল হুছেইন/৭৫
আশা-প্ৰত্যাশা ঃ অনুপ কুমাৰ হাজং/৭৭
হঠাৎ এজাক ধুমুহা ঃ নিবেদিতা দাস/৭৮
দুখৰ জীৱন ঃ অনামিকা ৰাভা/৮১
ধুমুহাৰ শেষত... ঃ সুৰজিত ৰয়/৮৩
আত্মোপলব্ধি ঃ নৰনীতা খাখলাৰী/৮৫



# English Section

## A r t i c l e

Home Assignment And Dissertation Projects Tips for Students : **Dr. Jibeswar Koch/১০১**
THE KOCH-RAJBONGSHIS AT A GLANCE : **Kamal Krishna Rajbongshi/১০৪**
A Study On The Material Conditions of Secondary Schools in Goalpara District of Assam : **Jagabandhu Kalita/১০৭**
Breaking the Fountain of Art-A Study on the Ready-mades of Marcel Duchamp : **Naren Das/১১০**
Gandhi on Value Education : **Dr. Kalyani Devi/১১৩**
DIGITAL Library : An Overview : **Rajashree Borkakoti/১১৬**
**AUTOMATA AND ITS APPLICATION IN DAILY LIFE : Mridul Dutta/১১৯**
GST- A new tax regime in India : **Shrutidhara Kashyap/১২১**
THE TAI MIGRATION TO ASSAM AND ITS IMPACT ON AGRICULTURE : **Sandipan Pathok/১২৪**
Dark Energy and Dark Matter : **Dr. Bharat Borah/১২৭**
BANANA PRODUCTION : **Samar Medhi/১৩১**
**Swachh Bharat Mission : Chania Gupta Jaiswal/১৩৫**
**The Bodo Tribe- A Study : Sushmita Sen Khakhlary/১৩৬**
**Photo Documentory : Dr. Manash Lochan Das**

## P O E M/১৩৮-১৪০

Nature : The Happiness of Life : **Neha Gupta**
The Sky : **Dipankar Rabha**
Time : **Nabanita Khakhlary**
One in Million : **Joshbina Sunduk**
True Friends : **Mridusmita Rabha**
In Search of That Reason : **Smrita Rabha**
Maa my DEAR : **Ranjita Rai**

## S H O R T  S T O R Y

Unpicked Blame-
Errors Everywhere : **Jenifer Rabha**/১৪১

# बर' आयदा



## रा य था य

**बर'फोरनि जानाय लोंनाय हुदा**– मोनसे सावरायनाय : **प्रानजु गयारी/१४९**
**देरहासारनाय सिख्ला : जुनमनि बसुमतारी/१५१**
**मनिराम देवान : मनिसा बसुमतारी/१५२**

## ख न्था इ/१५३-१५६

**जिउनि फाववथिना :** खानस्रि खाखलारी
**लाइमोन फोरनिसिम : जिनि स्वर्गीयारी**
**मोजां मोननाय खन्थाइ : दैमाली पाटगिरि**
**गोसोखांथि : समायस्रि दैमारि**
**मिथिंगा : ममता बसुमतारी**
**गोजोन दं : निशा दैमारी**
**दावगादो बर' फिसाफोर : धनमनि बसुमतारी**

## सुं द'  स ल'

**रैमालिनि दाहा : रहित बसुमतारी/१५৭**

প্ৰতিবেদন/**১৬০**

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল/**১৭৩**

# সম্পাদকীয়



সাম্প্ৰতিক সময়ত আমি এনে এখন পৃথিৱীত বাস কৰিছো, য'ত শাৰীৰিক পৰিশ্ৰমতকৈ ব্যক্তিৰ মানসিক শ্ৰমৰ জৰিয়তে নিৰ্ধাৰিত হয় দৈনন্দিন জীৱন যাত্ৰাৰ গতি। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন ন আৱিস্কাৰে সহজ আৰু সুলভ কৰি তুলিছে আমাৰ পচন্দৰ সামগ্ৰীসমূহ। সমগ্ৰ বিশ্বৰে যিকোনো তথ্য উপলব্ধ আমাৰ সন্মুখত। ইয়াৰ বাবে আমাক প্ৰয়োজন কিছু বুদ্ধিমত্তা আৰু বিচক্ষণতাৰ আৰু ইয়ে আমাক লৈ গৈছে এখন অঘোষিত 'যান্ত্ৰিক' প্ৰতিযোগিতাৰ দিশে। বৰ্তমান যুৱ প্ৰজন্মৰ বাবে ই যেন হৈ পৰিছে এক ডাঙৰ প্ৰত্যাহ্বান। এতিয়া ইণ্টাৰনেটৰ জৰিয়তে আমি খুব সহজেই লাভ কৰিব পাৰো বিশ্বৰ যিকোনো প্ৰান্তৰ তথ্য। একেদৰে বিভিন্ন ছ'চিয়েল ছাইট যেনে— ফেচবুক, হোৱাটছআপ, টুইটাৰ আদিৰ জৰিয়তে প্ৰকাশ আৰু বিনিময় কৰিব পাৰো যিকোনো চিন্তা-চৰ্চা। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তিৰ এনে আৱিষ্কাৰসমূহে এফালে যিদৰে আমাক এই সুবিধাসমূহ প্ৰদান কৰিছে, আনফালে আমাৰ দৰে তৃতীয় বিশ্বৰ নাগৰিকৰ সন্মুখত এক ভয়াৱহ ব্যাধি হৈ থিয় দিছে। ভোগবাদী ব্যৱস্থাই গ্ৰাস কৰা পৃথিৱীখনত যি প্ৰতিযোগিতা গঢ় লৈ উঠিছে, সেই প্ৰতিযোগিতাত আমি অৱতীৰ্ণ হ'বই লাগিব আৰু তাকেই কৰিবলৈ আমি উপনীত হৈছোঁ এক মহা সংকটত। আজি আমি ইণ্টাৰনেট, কম্পিউটাৰ, স্মাৰ্টফোনৰ অবিহনে এখোজো আগবাঢ়ি যোৱাৰ কথা ভাবিব নোৱাৰো। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিততেই বোধহয় ভাৰতবৰ্ষৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই ভাৰতবৰ্ষক ডিজিটেল

ইণ্ডিয়া হিচাপে গঢ়ি তুলিবলৈ প্ৰচেষ্টা হাতত লয় আৰু মহানগৰসমূহক স্মাৰ্টচিটী ধাৰণাটো প্ৰয়োগ কৰে। উল্লেখ্য যে আমাৰ ৰাষ্ট্ৰব্যৱস্থা আৰু প্ৰযুক্তি ইমান আগবাঢ়ি যোৱা সত্ত্বেও আমাৰ সমাজ ব্যৱস্থা ইয়াৰ লগত সমানে আগবাঢ়ি যাব পৰা নাই, ফলত আমিবোৰ প্ৰায়েই এক চৰম অনিশ্চয়তা আৰু হতাশাত ভুগিবলগীয়া হয়। তাৰ উপৰি কম্পিউটাৰ, মোবাইল ফোন, স্মাৰ্টফোন, টেবলেট আদিৰ ওপৰত প্ৰয়োজনাধিক নিৰ্ভৰশীলতাই আমাৰ মৌলিক সৃষ্টিশীলতাতো প্ৰভাৱ পেলাইছে। খুব সহজেই সকলো বস্তু পাবলৈ গৈ বহু সময়ত আমি নিজৰ প্ৰতিভা আৰু চিন্তা-চৰ্চাক একেবাৰেই আওকাণ কৰিছোঁ।

কেৱল যুৱ প্ৰজন্মই নহয়, শিশু-কিশোৰ, আদহীয়া সকলো শ্ৰেণীৰ লোকেই এই সুবিধাসমূহক জীৱন যুদ্ধৰ প্ৰতিযোগিতাত ইমান বেছি প্ৰয়োজনীয় বুলি ভাবিবলৈ লৈছে যে অহৰহ এই সমূহতেই ব্যস্ত হৈ থকা দেখা যায়। ইয়াৰ ফলত আমাৰ সামাজিক বন্ধনবোৰো ইমান ঢিলা হৈ পৰিছে যে সমাজ এখনৰ উন্নতিৰ বাবে ই কেতিয়াও কাম্য নহয়। বিভিন্ন ধৰণৰ চাইবাৰ ক্ৰাইমসমূহেও বহুতো লোকৰ জীৱনলৈ এন্ধাৰ নমাই অনাৰ লগতে নৈতিকতাৰ স্খলন ঘটাৰো ঘটনা দেখা পোৱা যায়।

খুব শেহতীয়াকৈ ইন্টাৰনেটত উপলব্ধ ‘মৃত্যুৰ খেল’ৰ মায়াজালত পৰিও কিছুমান কিশোৰে নিজৰ জীৱন শেষ কৰাৰ প্ৰতিযোগিতাতো নামি পৰিছে আৰু মৃত্যুক আঁকোৱালি লৈছে। আনকি অসমতো তেনে কেইবাটাও ঘটনা পোহৰলৈ আহিছে। এইসমূহ সমাজৰ বাবে অশুভ পৰিচায়ক। এইখিনিতে আমাৰ মনত প্ৰশ্ন হয় যে বৰ্তমানৰ ভোগবাদী সমাজ ব্যৱস্থাত এনে প্ৰতিযোগিতাত দিক্‌বিদিক হেৰুৱাই আমি জীয়াই থকাৰ আনন্দখিনি লোৱাত ক'ৰবাত ব্যৰ্থ হোৱা নাইনে? আমি ছাত্ৰ সমাজে খুব সহজে উপলব্ধ তথ্যৰ বিশ্বাসযোগ্যতা বিচাৰি বিভ্ৰান্ত হৈ পৰাৰ সময়ত গ্ৰন্থ অধ্যয়নৰ যি আমেজ, সেয়া লোৱাৰ পৰা বঞ্চিত হোৱা নাইনে? আচলতে, যিকোনো বস্তুৰেই অত্যাধিক ব্যৱহাৰে সামাজিক মূল্যবোধৰ অৱক্ষয় ঘটোৱাৰ লগতে ধ্বংস কৰে ব্যক্তিগত নৈতিক চেতনাৰ। ইয়াৰ বিপৰীতে কিছুমান মানসিক যন্ত্ৰণাই আমাক অনবৰতে হেঁচা মাৰি ৰাখে। সুবিধা পোৱাৰ নামত অত্যধিক নিৰ্ভৰশীলতা কেতিয়াও শুভলক্ষণ নহয়। সেয়েহে আমি কেৱল জীয়াই নাথাকি জীয়াই থকাৰ আনন্দখিনি উপভোগ কৰো আহক।

শেষত ‘দুধনৈ মহাবিদ্যালয় আলোচনী’ৰ এই সংখ্যাত প্ৰকাশিত প্ৰতিটো লেখনিয়েই পাঠক সমাজক কিছু পৰিমাণে উপকৃত কৰিব বুলি আমি আশাবাদী। আমাৰ এই যাত্ৰাত সহযাত্ৰী হোৱা প্ৰতিগৰাকী ব্যক্তিক কৃতজ্ঞতা জনাইছোঁ। ‘দুধনৈ মহাবিদ্যালয় আলোচনী’খন আৰু আগুৱাই যাওক, তাৰেই কামনা কৰিলোঁ।

**সূদৰ্শন ৰায়**



# অসমীয়া বিভাগ

.......................................................

ব্যাকৰণ, অভিধান নাথাকিলে ভাষা আৰু সাহিত্য হেদাঙি মেলা গৰুৰ দৰে হ'ব আৰু সেই সাহিত্যৰ, সেই ভাষাৰ উপদ্ৰৱত টাটী-চকোৱা এখনো নাথাকিব।

—লক্ষ্মীনাথ বেজবৰুৱা

প্ৰবন্ধ




# বিশ্বায়ন আৰু ভাৰতবৰ্ষ

**আজিদা বেগম**
স্নাতক দ্বিতীয় ষাণ্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ


বিশ্বায়ন হৈছে বিশ্বব্যাপী চলা এটি আন্তঃসংযোগ প্ৰক্ৰিয়া। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এক অৱদান হৈছে বিশ্বায়ন। সাধাৰণ অৰ্থত বিশ্বায়নে পৃথিৱীৰ ৰাষ্ট্ৰসমূহৰ মাজত সৃষ্টি হোৱা এক মুকলি পৰিৱেশক বুজায়। জন বেইলিছ আৰু ষ্টিভ স্মিথৰ মতে, বিশ্বায়ন হ'ল এনে এটি প্ৰক্ৰিয়া, য'ত বিভিন্ন সমাজৰ মাজত ক্ৰমান্বয়ে পাৰস্পৰিক নিৰ্ভৰশীলতা স্থাপিত হয় আৰু যাৰ ফলত বিশ্বৰ কোনো এক প্ৰান্তত সংঘটিত ঘটনাই বহু দূৰত অৱস্থিত অন্য দেশৰ জনসাধাৰণ নাইবা সমাজৰ ওপৰত প্ৰভাৱ পেলায়। বৰ্তমান বিশ্বত কোনো এখন ৰাষ্ট্ৰই সম্পূৰ্ণকৈ আত্মনিৰ্ভৰশীল নহয়। সেয়েহে বিশ্বায়নে সকলো ৰাষ্ট্ৰক ঐক্যবদ্ধভাৱে সকলো সমস্যা সমাধান কৰিবলৈ আহ্বান জনাইছে। কিন্তু বিশ্বায়নে জাতিভিত্তিক ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব বিসৰ্জন দি বিশ্বৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাক নুবুজায়। ই হ'ল ৰাষ্ট্ৰসমূহৰ মাজত সুচল সম্পৰ্ক স্থাপন কৰাৰ এটা উপায়হে মাথোন।

সাম্প্ৰতিক সময়ত বিশ্বায়নৰ প্ৰভাৱ সকলো ক্ষেত্ৰতে বিদ্যমান। এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, সামাজিক কোনো দিশেই বিশ্বায়নৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। বিশ্বায়নৰ ফলত ৰাষ্ট্ৰসমূহৰ মাজত গঢ় লৈ উঠা মুক্ত বাণিজ্য ব্যৱস্থাই উৎপাদন বৃদ্ধি আৰু মূলধন বিনিয়োগ ব্যৱস্থা সহজ কৰি তুলি অৰ্থনৈতিক বিকাশত অৰিহণা যোগোৱাৰ লগতে জীৱন ধাৰণৰ মানদণ্ডও উন্নত কৰি তুলিছে। তদুপৰি বিশ্বায়নৰ ফলত ৰাষ্ট্ৰসমূহৰ মাজত যি ওচৰ সম্পৰ্ক গঢ় লৈ উঠিছে, ইয়ে এখন ৰাষ্ট্ৰৰ জনসাধাৰণক আন এখন ৰাষ্ট্ৰৰ মূলবোধ, চিন্তা-চৰ্চা, আদৰ্শ, সংস্কৃতিৰ বিষয়ে জ্ঞাত হোৱাৰ আৰু ইতিবাচকখিনি গ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰিছে। তৎসত্বেও আমি বিশ্বায়নৰ নেতিবাচক দিশসমূহকো অৱজ্ঞা কৰিব নোৱাৰো।

আমাৰ ৰাষ্ট্ৰ ভাৰতবৰ্ষলৈ বিশ্বায়নৰ আগমন হয় ৯০ৰ দশকত। ১৯৯১ চনৰ নতুন অৰ্থনৈতিক নীতি ঘোষণাই ভাৰতবৰ্ষত বিশ্বায়নক আগমন জনায়। ইয়াৰ ফলস্বৰূপে ভাৰতীয় অৰ্থনীতি ব্যৱস্থাত ব্যাপক পৰিৱৰ্তনৰ সূচনা হয়। কাৰণ, শীতল যুদ্ধৰ উত্তৰকালত বিশেষকৈ যেতিয়া ছোভিয়েট সংঘৰ পতনৰ লগে লগে সমাজবাদী ৰাষ্ট্ৰ ব্যৱস্থাৰ ভেটি দুৰ্বল হৈ পৰিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই একক মহাশক্তি হিচাপে বিশ্বত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ল, তেতিয়া ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহৰ সন্মুখত একচেটিয়া পুঁজিৰ সৈতে আপোচ কৰাৰ বাহিৰে আন কোনো বিকল্প পথ নাছিল। C.T. Kurien নামৰ ভাৰতৰ অৰ্থনীতিবিদগৰাকীৰ মতে, অৰ্থনৈতিক সংস্কাৰৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগে লগে ভাৰতবৰ্ষৰ অৰ্থনৈতিক নীতিয়ে ধেনুভিৰীয়া পাক ল'লে। বহুজাতিক কোম্পানীসমূহে সাংস্কৃতিক উপনিৱেশিকতাবাদৰ কূটনীতিৰে ভাৰতীয় বজাৰ দখলৰ প্ৰতিযোগিতাত নামি পৰিল। ইয়াৰ লগে লগে ৰাজহুৱা খণ্ডৰ পৰিৱৰ্তে ব্যক্তিগত খণ্ডৰ আধিপত্য হ'বলৈ আৰম্ভ কৰিলে। বৰ্তমান ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহক আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠান যেনে— বিশ্ববেংক, বিশ্ব বাণিজ্য সংস্থা, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি আদিয়ে বজাৰ অৰ্থনীতিক সফল কৰি তুলিবৰ বাবে ৰাষ্ট্ৰৰ দ্বাৰা গ্ৰহণ কৰা বিভিন্ন কল্যাণমূলক কাৰ্যসূচীসমূহ ৰাষ্ট্ৰৰপৰা কাঢ়ি নিবলৈ সক্ষম হৈছে। পুঁজিবাদী বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত বিভিন্ন বিদেশী পুঁজি বিনিয়োগকাৰী কোম্পানীসমূহেও ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠাৰ সুবিধা লাভ কৰিলে। বিদেশী প্ৰত্যক্ষ বিনিয়োগ (Foreign Direct Investment)ৰ জৰিয়তে পূৰ্বতে ৰাজহুৱা খণ্ডৰ অধীনত থকা বহুতো ক্ষেত্ৰত বিদেশী বিনিয়োগকাৰীসকলে মূলধন বিনিয়োগ কৰিব পৰা হ'ল। যদিও ৰাজীৱ গান্ধী চৰকাৰৰ দিনত (১৯৮৫-৮৯) এনে কিছু অৰ্থনৈতিক সংস্কাৰ আৰম্ভ কৰা হৈছিল, নৰসিংহ ৰাও চৰকাৰৰ সময়ত (১৯৯১-৯৬) এনে সংস্কাৰে এক নিৰ্দিষ্ট স্পষ্ট ৰূপ পাইছিল। ১৯৯১-৯২ চনৰ বাজেট উত্থাপনৰ সময়ত সেই সময়ৰ বিত্তমন্ত্ৰী মনমোহন সিঙে এই প্ৰসংগত কৈছিল, "After four decades of planning for industrialisation, we have now reached a stage where we should welcome, rather fear, foreign investment. Direct foreign investment would provide access to capital, technology and market."

বিশ্বায়ন ব্যৱস্থাই ভাৰতীয় অৰ্থনীতিৰ লগতে ভাৰতীয় সমাজ-ব্যৱস্থা আৰু সংস্কৃতিতো যথেষ্ট পৰিৱৰ্তন আনিছে। আমাৰ থকা, খোৱা-বোৱা, পিন্ধা-উঠা, জীৱন প্ৰণালী সকলোতে এই পৰিৱৰ্তন স্পষ্ট। আনকি আমাৰ অসমৰ দৰে পৰম্পৰাগত সমাজ জীৱনতো নিত্য নতুনত্ব পৰিলক্ষিত হৈছে। বিশ্বায়ন ব্যৱস্থাৰ সমালোচকসকলে ক'ব বিচাৰে যে ভোগবাদী প্ৰৱণতা, ব্যাপক প্ৰদৰ্শনধৰ্মিতা, প্ৰবল ব্যক্তিকেন্দ্ৰিকতাই সমাজৰ শিক্ষিত, বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ নৱ-প্ৰজন্মক গ্ৰাস কৰি আনিছে। আৰু মৌলিকত্ব হেৰাই যোৱাৰ উপক্ৰম হৈছে। লগতে ভাৰতীয় সংস্কৃতিত বিশ্বায়নে অপসংস্কৃতিৰ আগমন ঘটাইছে।

ভাৰতবৰ্ষত বিশ্বায়ন ব্যৱস্থাৰ জৰিয়তে হোৱা এনে কাৰ্যসমূহ প্ৰত্যক্ষ কৰিলে সকলোৰে মনত প্ৰশ্নৰ উদয় হ'ব যে পুঁজিবাদী বিশ্বায়নে ভাৰত ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে নেকি? ভাৰতবৰ্ষৰ অৰ্থনৈতিক স্বতন্ত্ৰতা হেৰাই গৈছে নেকি? বিশ্বায়নে সঁচাকৈয়ে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ প্ৰতি ভাবুকি আনিছে নেকি?





উল্লেখযোগ্য যে বিশ্বায়ন ব্যৱস্থাই ভাৰতবৰ্ষক বিশ্ব অৰ্থনীতিৰ লগত সংপৃক্ত হোৱাত সুবিধা প্ৰদান কৰিলে। ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণে ভাৰতৰ গড় ঘৰুৱা উৎপাদন (GDP) বৃদ্ধি কৰি বিশ্ব পৰ্যায়ত এক সুকীয়া স্থান দখল কৰিবলৈ সুযোগ দিয়া বুলি ইয়াৰ সমৰ্থকসকলে কয়। লগতে বিদেশী বিনিয়োগৰ ফলত প্ৰতিষ্ঠা হোৱা বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানসমূহে বহুতো নিবনুৱাক নিযুক্তিৰ সুবিধা প্ৰদান কৰিছে। ইয়ে নিবনুৱা আৰু দৰিদ্ৰতা এই দুয়োটা সমস্যাই কিছু পৰিমাণে লাঘৱ কৰিছে বুলি ক'ব পাৰি। ঠিক একেদৰে বিশ্বায়নে আমাৰ সন্মুখত বহুতো পছন্দৰ সুবিধাৰ সৃষ্টি কৰি দিছে। বিভিন্ন ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ মাজত বজাৰ অৰ্থনীতিত হোৱা প্ৰতিযোগিতাৰ ফলত আমি উন্নত মানদণ্ডৰ সামগ্ৰী আৰু সেৱা লাভ কৰিবলৈ সক্ষম হৈছো। লগতে আমি বিশ্ব সমাজ ব্যৱস্থাৰ লগত পৰিচিত হৈ বিশ্বৰ যিকোনো প্ৰান্তত থকা ব্যক্তিৰ চিন্তা-চৰ্চা, আদৰ্শ, ধ্যান-ধাৰণাৰ বিষয়ে জানিব পাৰিছো। আৰু নিজেও আজিৰ প্ৰতিযোগিতাৰ যুগত আগবাঢ়ি যোৱাৰ বাট বিচাৰি পাইছো। আনকি ক'ব পাৰি যে ভাৰতীয় সমাজ ব্যৱস্থাৰপৰা লিংগ অসমতা, জাতিভেদ প্ৰথাৰ দৰে সামাজিক বিকাৰসমূহ হ্ৰাস কৰাত বিশ্বায়নৰ যথেষ্ট ভূমিকা আছে। লগতে আমাৰ ভাৰতীয় সংস্কৃতিও বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত প্ৰদৰ্শিত হোৱাৰ লগতে জনপ্ৰিয়তা আৰু স্বীকৃতি অৰ্জন কৰিবলৈ সক্ষম হৈছে।

কিন্তু এনে ইতিবাচক দিশসমূহৰ লগতে ভাৰতবৰ্ষত বিশ্বায়নৰ আগ্ৰাসী ৰূপটোকো আমি আওকাণ কৰিব নোৱাৰো। ভাৰত ৰাষ্ট্ৰই পূৰ্বতে ৰক্ষণাবেক্ষণ দি অহা ৰাজহুৱা খণ্ড আৰু ঘৰুৱা অৰ্থনীতিৰ পৰিৱৰ্তে ব্যক্তিগত খণ্ড আৰু বিদেশী বহুজাতিক কোম্পানীক দিয়া গুৰুত্বই লাহে লাহে ৰাষ্ট্ৰৰ অৰ্থনৈতিক নিয়ন্ত্ৰণ নাইকিয়া কৰি আনিলে। ইয়াৰ ঠাইত আহি পৰিল বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠান আৰু আমেৰিকাৰ দৰে পুঁজিবাদী ৰাষ্ট্ৰৰ আগ্ৰাসন। ইয়াৰ ফলত ৰাষ্ট্ৰৰ কল্যাণকামী কাম-কাজসমূহ যেনে— শিক্ষা, স্বাস্থ্যসেৱা আদিও ব্যক্তিৰ দ্বাৰা পৰিচালিত হ'বলৈ ধৰিলে। তদুপৰি মুক্ত বজাৰ ব্যৱস্থাৰ ফলত সৃষ্টি হোৱা প্ৰতিযোগিতাই ভাৰতবৰ্ষৰ পুঁজিপতি শ্ৰেণী আৰু দৰিদ্ৰ শ্ৰেণীটোৰ মাজত আকাশ-পাতাল পাৰ্থক্য আনিলে ; যাৰ ফলত দুখীয়া আৰু নিম্ন মধ্যবিত্ত লোকসকলৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হ'ল। তদুপৰি ঘৰুৱা উদ্যোগসমূহৰ ধ্বংস হোৱাত বহুতো সাধাৰণ লোকৰ জীৱন-জীৱিকাৰ প্ৰতি ভাবুকি আহি পৰিল। সমালোচকসকলৰ মতে, প্ৰযুক্তিৰ বিপ্লৱেৰে পুঁজিবাদে সমাজ জীৱনৰ বিভিন্ন খণ্ডত নব্য নিপীড়ন আৰম্ভ কৰিছে। আকৌ, পুঁজিবাদী বিশ্বায়নৰ নামত পুঁজিবাদী ৰাষ্ট্ৰসমূহে ভাৰতবৰ্ষৰ যি ৰাজত্ব লাভৰ সুবিধা লাভ কৰিছে, ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ ৰাষ্ট্ৰৰ বাবে সেই ৰাষ্ট্ৰসমূহৰ দুৱাৰ সমানে মুকলি হোৱা নাই। ঠিক একেদৰে সাংস্কৃতিক বিশ্বায়নৰ নামত পশ্চিমীয়া সংস্কৃতিয়ে ভাৰতীয় সংস্কৃতিৰ মৌলিকত্বত আঘাত হানিছে আৰু বিশ্বায়নে যুৱ-প্ৰজন্মক তেনে কিছু অপসংস্কৃতি গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছে। সকলো পশ্চিমীয়া সংস্কৃতিয়েই যে বেয়া সেই কথা নহয়। কিন্তু ভালখিনি গ্ৰহণ কৰি বেয়াখিনিক বাদ দিয়াৰ মানসিকতা কিন্তু সমানে দেখা পোৱা নাযায়।

বিশ্বায়ন ব্যৱস্থাই ভাৰতীয় অৰ্থনীতি, ৰাজনীতি, সমাজ আৰু সংস্কৃতিত আনি দিয়া পৰিৱৰ্তনসমূহক অপ্ৰতিৰোধ্য বুলি গণ্য কৰা হয়। এটা কথা সত্য যে সাম্প্ৰতিক সময়ত বিজ্ঞান-প্ৰযুক্তি আৰু বজাৰ ব্যৱস্থাই আমাক যিফালে লৈ গৈছে, তাৰ ওভতনি সোঁতত খোজ দিব আমি নোৱাৰো। বিশ্বায়নৰ সোঁতে যাতে আমাৰ ভাৰতীয় সমাজ সভ্যতাক উটুৱাই নি সাধাৰণজনৰ প্ৰাণৰ প্ৰতি সংশয় আনিব নোৱাৰে, তাৰ প্ৰতি সচেতন থকাটোহে নিশ্চয় গুৰুত্বপূৰ্ণ হ'ব।

**"**

**ভাৰতবৰ্ষত বিশ্বায়নৰ আগ্ৰাসী ৰূপটোকো আমি আওকাণ কৰিব নোৱাৰো। ভাৰত ৰাষ্ট্ৰই পূৰ্বতে ৰক্ষণাবেক্ষণ দি অহা ৰাজহুৱা খণ্ড আৰু ঘৰুৱা অৰ্থনীতিৰ পৰিৱৰ্তে ব্যক্তিগত খণ্ড আৰু বিদেশী বহুজাতিক কোম্পানীক দিয়া গুৰুত্বই লাহে লাহে ৰাষ্ট্ৰৰ অৰ্থনৈতিক নিয়ন্ত্ৰণ নাইকিয়া কৰি আনিলে।... মুক্ত বজাৰ ব্যৱস্থাৰ ফলত সৃষ্টি হোৱা প্ৰতিযোগিতাই ভাৰতবৰ্ষৰ পুঁজিপতি শ্ৰেণী আৰু দৰিদ্ৰ শ্ৰেণীটোৰ মাজত আকাশ-পাতাল পাৰ্থক্য আনিলে ; যাৰ ফলত দুখীয়া আৰু নিম্ন মধ্যবিত্ত লোকসকলৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হ'ল।**

প্ৰবন্ধ

গোৱালপাৰা জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত এখন অন্যতম চহৰ দুধনৈ। এই চহৰখনত ৰাভা জনজাতিৰ বাহিৰেও বড়ো, কছাৰী, নেপালী, বাঙালী, গাৰো, মাৰোৱাৰী, নাথ, কলিতা আদি বিভিন্ন জাতি-জনজাতি তথা সম্প্ৰদায়ৰ লোকে একেলগে মিলা-প্ৰীতিৰে বসবাস কৰি আহিছে। দুধনৈ এখন ব্যৱসায়ভিত্তিক চহৰ। ইয়াত যথেষ্টসংখ্যক লোক ব্যৱসায় বৃত্তিধাৰী। সাধাৰণতে দুধনৈ অঞ্চলৰ জলবায়ু মৌচুমী জলবায়ুৰ ভিতৰত পৰে। ইয়াত বছৰি প্ৰায় ২০০০ মিলিমিটাৰ পৰ্যন্ত বৰষুণ পৰে। বৰষুণ পৰাৰ সময় হ'ল এপ্ৰিল মাহৰপৰা অক্টোবৰ মাহলৈ। ক্ৰমান্বয়ে নৱেম্বৰ মাহৰপৰা ফেব্ৰুৱাৰী মাহলৈ ইয়াৰ জলবায়ু শীতল হয়। এই চহৰৰ উষ্ণতা ১৫° ছেলছিয়াছৰপৰা সৰ্বাধিক ৪৫° ছেলছিয়াছলৈ। সেইবাবে এই অঞ্চলটোত ধানখেতিৰ লগতে কল, ৰবৰ আৰু বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি হোৱা পৰিলক্ষিত হয়।

দুধনৈ অঞ্চলৰ এটা অতি গুৰুত্বপূৰ্ণ ব্যৱসায় হৈছে ফুল ঝাড়ুৰ ব্যৱসায়। দুধনৈৰ কাষৰীয়া ৰাজ্য মেঘালয়ৰ পাহাৰীয়া অঞ্চলত ফুল ঝাড়ুৰ উৎপাদন যথেষ্ট বেছি। কিছু কিছু ঠাইত ফুল ঝাড়ুসমূহ নিজে নিজে হোৱাৰ উপৰিও বৈজ্ঞানিক ভিত্তিতো খেতি কৰা পদ্ধতি নথকা নহয়। দুধনৈৰ সমীপৱৰ্তী ৰংজুলি, ধনুভাঙা আদি অঞ্চলত ফুল ঝাড়ুৰ খেতি কৰা হয়। দুধনৈ মূল চহৰ তথা এই অঞ্চলটোত এই ফুল ঝাড়ুৰ সৰু-ডাঙৰ কেইবাটাও উদ্যোগ দেখা পোৱা যায়। এই উদ্যোগসমূহৰ ব্যৱসায়িক গুৰুত্ব আৰু দুধনৈ অঞ্চলত ইয়াৰ অৰ্থনৈতিক প্ৰভাৱৰ বিষয়ে জানিবৰ

# দুধনৈ অঞ্চলৰ ফুল ঝাড়ু উদ্যোগ আৰু ইয়াৰ অৰ্থনৈতিক গুৰুত্ব

**জোনমণি শৰ্মা**
স্নাতক চতুৰ্থ যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ





**অসমৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো ফুল ঝাড়ুৰ যথেষ্ট চাহিদা আছে, আৰু এই** উদ্যোগৰ বাবে বেছি পৰিমাণৰ মূলধনৰ প্ৰয়োজন নহয়। সেয়েহে চৰকাৰে ফুল ঝাড়ু উদ্যোগৰ **ওপৰত ভিত্তি কৰি নতুন আঁচনি গ্ৰহণ কৰিলে বহু নিবনুৱাই আত্মনিয়োগৰ সুবিধা লাভ কৰিব।**

বাবে আমি দুটা উদ্যোগক ক্ষেত্ৰ অধ্যয়নৰ বাবে বাছনি কৰি লৈছিলো। ইয়াৰে এটা হ'ল Indian Oil Petroleum Ltd.ৰ কাষতে লাগি থকা ফুল ঝাড়ুৰ উদ্যোগ আৰু আনটো হ'ল দুধনৈৰ মাখিপাৰাত অৱস্থিত ফুল ঝাড়ু উদ্যোগ।

দুধনৈৰ পশ্চিম ফালে কিছু দূৰত Indian Oil Petroleum Ltd.ৰ কাষতে যিটো ফুল ঝাড়ুৰ উদ্যোগ আছে, এই উদ্যোগটোৰে প্ৰায় ৫ৰ পৰা ৭ বিঘা মাটি আগুৰি আছে। এই উদ্যোগটোৰ মালিক হ'ল শ্ৰীযুত পুনম চন্দ্ৰ শৰ্মা ওৰফে নীলু শৰ্মা। এই উদ্যোগটোত দৈনিক ৩০ জনৰ পৰা ৪০ জন শ্ৰমিক বিভিন্ন কামত নিয়োজিত হৈ থাকে। তেওঁলোকৰ দৈনিক মজুৰি ৩০০ টকাৰ পৰা ৫০০ টকালৈ। উল্লেখযোগ্য যে ইয়াত ফুল ঝাড়ু উৎপাদন কৰা নহয়। সাধাৰণতে, মেঘালয়ৰ ৰংমিল, চালাং, তুৰা, দামাছ আদি ঠাইৰপৰা কেঁচা অৱস্থাতে ফুল ঝাড়ুসমূহ কিনি অনা হয়। তেতিয়া ইয়াৰ মূল্য প্ৰতি কিলোগ্ৰামত ২০ টকাৰ পৰা ৩০ টকা পৰ্যন্ত হয়। উদ্যোগটোৰ কিছু শ্ৰমিকে জানিবলৈ দিয়া মতে, কেঁচা অৱস্থাতে এইসমূহ কিনি আনি শুকুওৱা হয় আৰু ভালকৈ শুকান কৰিবলৈ সাত দিন পৰ্যন্ত সময় লাগে। শুকান কৰাৰ পিছত ইয়াক ফুল ঝাড়ুৰ ৰূপত গঢ়ি তোলা হয় আৰু তেতিয়া ইয়াৰ মূল্য ৪০ টকাৰপৰা ৬০ টকা পৰ্যন্ত হয়।

দুধনৈৰ পৰা পশ্চিমফালে প্ৰায় ২.৬ কিঃ মিঃ মান গ'লেই মাখিপাৰা গাঁও পোৱা যায়। সেই গাঁওখনতেই আছে আন এটা ঝাড়ু উদ্যোগ। এই উদ্যোগটোৱে প্ৰায় ৩.৫ বিঘা মাটি দখল কৰি আছে। আৰু ইয়াৰ মালিক হ'ল শ্ৰীযুত কমলু শৰ্মা। উদ্যোগটোত দৈনিক ২০০ জন পুৰুষ-মহিলা কৰ্মচাৰীক নিয়মীয়াভাৱে কৰ্মত নিয়োগ কৰা হয়। পূৰ্বে উল্লিখিত উদ্যোগটোৰ দৰে ইয়াতো ফুল ঝাড়ুসমূহ কেঁচা অৱস্থাতে মেঘালয়ৰ ৰংমিল, তুৰা, চালাং আদি ঠাইৰপৰা অনা হয়। প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলে জানিবলৈ দিয়া মতে, এই ফুল ঝাড়ুসমূহ ব্যৱহাৰৰ উপযুক্ত কৰি গঢ়ি তোলাৰ পিছত স্থানীয় অঞ্চলত প্ৰতি কিলোত ন্যূনতম ৫ টকাকৈ লাভ কৰিব পাৰি। আৰু ৰাজ্যৰ বাহিৰত অতি কমেও ২০% লাভ হয়। কৰ্মকৰ্তাসকলে কয় যে, ইয়াৰ উৎপাদন মাহিলীকৈ কৰা হয় আৰু আয় মাহৰ হিচাপত উলিওৱা হয়।

দুধনৈৰ এই ফুল ঝাড়ুসমূহত উৎপাদিত ফুল ঝাড়ুসমূহ অসমৰ বিভিন্ন জিলা বিশেষকৈ কামৰূপ, বৰপেটা, বঙাইগাঁও, নগাঁও, মৰিগাঁও, দৰং আদিলৈ ৰপ্তানি কৰা হয়। ইয়াৰোপৰি ৰাষ্ট্ৰীয় বজাৰতো ইয়াৰ যথেষ্ট চাহিদা থকাৰ বাবে অসমৰ বাহিৰৰ পশ্চিমবংগ, দিল্লী, মহাৰাষ্ট্ৰ, বিহাৰ আদি ৰাজ্যলৈও এই ফুল ঝাড়ুসমূহ দুধনৈৰ পৰা যোগান ধৰা হয়। ইয়াৰ জৰিয়তে এই প্ৰতিষ্ঠানসমূহ যথেষ্ট পৰিমাণে লাভান্বিত হৈছে। আৰু ইয়াৰ পুঁজিও টনকীয়াল হোৱা দেখা গৈছে। ইয়ে এনে উদ্যোগসমূহত নিয়োগৰ সুবিধাৰ সৃষ্টি কৰিছে আৰু শ্ৰমিকসকলৰো মজুৰি বৃদ্ধি হৈছে।

বৰ্তমান অসমৰ জ্বলন্ত সমস্যাসমূহৰ ভিতৰত এটা প্ৰধান সমস্যা হৈছে নিবনুৱা সমস্যা। ইয়াৰ প্ৰধান কাৰণ হৈছে দ্ৰুত জনবিস্ফোৰণ, আন্তঃগাঁথনিৰ সমস্যা, দক্ষতাৰ অভাৱ, উদ্যোগীকৰণৰ লেহেমীয়া গতি ইত্যাদি। নিবনুৱা সমস্যাৰে জৰ্জৰিত আমাৰ সমাজত নিশ্চয়কৈ দুধনৈৰ এই ফুল ঝাড়ু উদ্যোগসমূহে নিয়োগৰ সুবিধাৰ সৃষ্টি কৰি যথেষ্ট বৰঙণি আগবঢ়াই আহিছে। দুধনৈ অঞ্চলত থকা এনে উদ্যোগসমূহত বহু পুৰুষ-মহিলা নিয়োজিত হৈ আছে। যিহেতু অসমৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো ফুল ঝাড়ুৰ যথেষ্ট চাহিদা আছে, আৰু এই উদ্যোগৰ বাবে বেছি পৰিমাণৰ মূলধনৰ প্ৰয়োজন নহয়। সেয়েহে চৰকাৰে ফুল ঝাড়ু উদ্যোগৰ ওপৰত ভিত্তি কৰি নতুন আঁচনি গ্ৰহণ কৰিলে বহু নিবনুৱাই আত্মনিয়োগৰ সুবিধা লাভ কৰিব।